# Official Spokesperson's response to a media query on the Joint Press Release of the China-Pakistan Foreign Ministers’ strategic dialogue

August 22, 2020

---

# চীন–পাকিস্তানৰ বৈদেশিক মন্ত্ৰীদ্বয়ৰ কৌশলগত বাৰ্তাৰ সংযুক্ত প্ৰেছ বিজ্ঞপ্তি সন্দৰ্ভত সংবাদ মাধ্যমে কৰা প্ৰশ্নত চৰকাৰী মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

আগষ্ট 22, 2020

**চীন–পাকিস্তানৰ বৈদেশিক মন্ত্ৰীদ্বয়ৰ কৌশলগত বাৰ্তাৰ সংযুক্ত প্ৰেছ বিজ্ঞপ্তি সন্দৰ্ভত সংবাদ মাধ্যমে কৰা প্ৰশ্নত চৰকাৰী মুখপাত্ৰ শ্ৰী অনুৰাগ শ্ৰীবাস্তৱে কয়:**

আমি আগৰ দৰেই চীন–পাকিস্তানৰ বৈদেশিক মন্ত্ৰীদ্বয়ৰ কৌশলগত বাৰ্তাৰ সংযুক্ত প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা জম্মু আৰু কাশ্মীৰৰ কেন্দ্ৰীয় শাসিত প্ৰদেশ প্ৰসঙ্গ স্পষ্ট ৰূপত অস্বীকাৰ কৰিছোঁ। জম্মু আৰু কাশ্মীৰৰ কেন্দ্ৰীয় শাসিত প্ৰদেশ ভাৰতবৰ্ষৰ এক অপৰিহাৰ্য আৰু অবিচ্ছেদ্য অংগ আৰু আমি আশা কৰোঁ যে সংশ্লিষ্ট দলসমূহে ভাৰতৰ আভ্যন্তৰীণ বিষয়সমূহত হস্তক্ষেপ নকৰে যেন।

একে সময়তে আমি তথাকথিত "চীন পাকিস্তান অৰ্থনৈতিক কৰিডৰ" সংক্ৰান্ততো আমাৰ অৱস্থান অটল ৰাখিছোঁ। ভাৰতে বাৰম্বাৰ চীন আৰু পাকিস্তান দুয়োখন দেশকেই তথাকথিত "চীন পাকিস্তান অৰ্থনৈতিক কৰিডৰ" সংক্ৰান্তত নিজৰ চিন্তা স্পষ্ট কৰি দিছে যি ভাৰতৰ সীমাৰ ভিতৰত পৰে আৰু পাকিস্তানে বেআইনীভাৱে দখল কৰি আহিছে। পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ স্থিতাৱস্থা সলনি কৰিবলৈ আন দেশে কৰা কাৰ্যৰ আমি বিৰোধিতা কৰিছোঁ আৰু সংশ্লিষ্ট দলসমূহক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনাইছোঁ।

নতুন দিল্লী
আগষ্ট 22, 2020

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.